**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 07-06-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি প্ৰধানমন্ত্ৰীৰ অৰ্থনৈতিক পৰামৰ্শদাতা পৰিষদৰ সদস্যসকলৰ এখন বৈঠকত অধ্যক্ষতা কৰে।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আন্তঃৰাষ্ট্ৰীয় সীমান্তত বিত্তীয় লেনদেন, নিৰ্মাণ কাৰ্যকলাপ আৰু সম্পত্তি ক্ৰয়-বিক্ৰয়ৰ ক্ষেত্ৰত নিৰীক্ষণ কৰিবলৈ আহ্বান জনাইছে।

৩। ৰাষ্ট্ৰীয় পৰীক্ষা সংস্থাই নীট-ইউজি ২০২৬ সন্দৰ্ভত সামাজিক মাধ্যমত বিয়পি পৰা উৰা বাতৰি বিশ্বাস নকৰিবলৈ আহ্বান জনাইছে।

৪। দক্ষিণ এছিয়ান ফুটবল ফেডাৰেচনৰ মহিলা চেম্পিয়নশ্বিপ ২০২৬ৰ ফাইনেলত ভাৰতে বাংলাদেশক ৩-১ গ'লত পৰাস্ত কৰি ষষ্ঠবাৰৰ বাবে খিতাপ দখল কৰিছে।

*আৰু*

৫। নিউ চণ্ডীগড়ত চলি থকা ভাৰত আৰু আফগানিস্তানৰ মাজৰ টেষ্ট মেচত ভাৰতে কালি সংগ্ৰহ কৰা ৩৬৮ ৰানৰ পৰা আজি পুনৰ খেল আৰম্ভ কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি প্ৰধানমন্ত্ৰীৰ অৰ্থনৈতিক পৰামৰ্শদাতা পৰিষদৰ সদস্যসকলৰ এখন বৈঠকত অধ্যক্ষতা কৰে। বৈঠকত শ্ৰীমোদী আৰু পৰিষদৰ বিষয়ববীয়াসকলক দেশৰ অৰ্থনীতিক ত্বৰান্বিত কৰিব পৰা বহুকেইটা বিষয়ত আলোচনা কৰে। দেশৰ জনসাধাৰণৰ জীৱন ধাৰণৰ মান উন্নত কৰিব পৰা আৰু ব্যৱসায় সম্বন্ধীয় বহুকেইটা বিষয়টো পৰ্যালোচনা কৰা হয়। বৈঠকত পশ্চিম এছিয়াৰ যুদ্ধই সমগ্ৰ বিশ্বৰ লগতে ভাৰতৰ ওপৰত পেলোৱা প্ৰভাৱৰ বিষয়েও স্থান লাভ কৰে।

সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে এই বৈঠকত দেশৰ অৰ্থনৈতিক ব্যৱস্থাৰ পৰিৱৰ্তন আৰু উন্নয়নমূলক কাৰ্যপ্ৰণালীৰ বিষয়ে বিশদভাৱে আলোচনা কৰা হয়। তেওঁলোকে লগতে দেশৰ অৰ্থনৈতিক ব্যৱস্থাটো কিদৰে গতি প্ৰদান কৰিব পাৰি সেই বিষয়েও মতামত দাঙি ধৰে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আন্তঃৰাষ্ট্ৰীয় সীমান্তত বিত্তীয় লেনদেন, নিৰ্মাণ কাৰ্যকলাপ আৰু সম্পত্তি ক্ৰয়-বিক্ৰয়ৰ ক্ষেত্ৰত নিৰীক্ষণ কৰিবলৈ আহ্বান জনাইছে। বি এছ এফৰ ত্ৰিপুৰা সীমান্তৰ মুখ্য কাৰ্যালয়ত শ্ৰীশ্বাহৰ অধ্যক্ষতাত অনুষ্ঠিত এখন বৈঠকত উত্তৰ-পূবৰ ৰাজ্যসমূহৰ সীমান্তৱৰ্তী অঞ্চলসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰি এই নিৰ্দেশনা জাৰি কৰা হৈছে। গৃহমন্ত্ৰীগৰাকীয়ে বিগত ৫ বছৰৰ ভূমিৰ তথ্যসমূহৰ পুনৰীক্ষণৰো নিৰ্দেশ দিয়ে। তেওঁ কয়, যে নিচাজাতীয় দ্ৰব্য আৰু অস্ত্ৰ সৰবৰাহৰ বিৰুদ্ধে সঘনাই অভিযান চলাব লাগিব আৰু নিচাজাতীয় দ্ৰব্য সৰবৰাহৰ সৈতে জড়িত ব্যক্তিৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। সীমান্তৱৰ্তী অঞ্চলৰ লোকসকলক নিচাজাতীয় দ্ৰব্য আৰু অস্ত্ৰ-শস্ত্ৰৰ সৈতে মোকাবিলা কৰিব

পৰাকৈ প্ৰশিক্ষণ শিবিৰৰো আয়োজন কৰা উচিত বুলি গৃহমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। কেন্দ্ৰীয় আৰু ৰাজ্যিক সংস্থাসমূহৰ মাজত সমন্বয়ৰ দ্বাৰা সীমান্ত অঞ্চলৰ সামগ্ৰিক উন্নয়ন আৰু নিৰাপত্তা সুনিশ্চিত কৰিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলিও শ্ৰীশ্বাহে উল্লেখ কৰে। এই বৈঠকত ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী মানিক সাহা, মুখ্য সচিব জে কে সিনহা, আৰক্ষী সঞ্চালক প্ৰধান অনুৰাগ ধনখড়, জিলা দণ্ডাধীশসহ উচ্চ পদস্থ বিষয়াসকল উপস্থিত থাকে।

০০০০০

ৰাষ্ট্ৰীয় পৰীক্ষা সংস্থা NTA-এ সামাজিক মাধ্যমত বিয়পি পৰা উৰাবাতৰিক বিশ্বাস নকৰিবলৈ আহ্বান জনাইছে। সামাজিক মাধ্যম আৰু আন একাংশ প্লেটফৰ্মত NEET (UG) ২০২৬ পৰীক্ষাৰ প্ৰশ্নকাকত পুনৰ ফাদিল হোৱা আৰু বিক্ৰীৰ বাতৰি ভিত্তিহীন আৰু ভুৱা বুলি সংস্থাটোৱে স্পষ্টীকৰণ দিছে। সামাজিক মাধ্যমত দিয়া এটা পোষ্টত সংস্থাটোৱে সদৰী কৰে যে সংগঠিত প্ৰতাৰণামূলক চক্ৰই এনে ভুৱা পোষ্টৰ যোগেদি ছাত্ৰ ছাত্ৰী আৰু অভিভাৱকসকলক লক্ষ্য কৰি লৈছে। সংস্থাটোৱে লগতে দৃঢ়তাৰে উল্লেখ কৰে যে পৰীক্ষা প্ৰক্ৰিয়া বৰ্তমান সম্পূৰ্ণৰূপে অক্ষত অৱস্থাত আছে আৰু নিকাভাৱে পৰীক্ষা অনুষ্ঠিত কৰিবলৈ সকলোধৰণৰ প্ৰয়োজনীয় সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইতিমধ্যে সংস্থাটোৱে সন্দেহজনক চেনেল, সামাজিক মাধ্যমৰ একাংশ একাউন্টৰ বিৰুদ্ধে সংশ্লিষ্ট প্লেটফৰ্ম আৰু চাইবাৰ-অপৰাধ কৰ্তৃপক্ষক ব্যৱস্থা গ্ৰহণৰ বাবে অভিযোগ দাখিল কৰিছে। সংস্থাটোৱে প্ৰাৰ্থী আৰু অভিভাৱকসকলক ভুৱা বাতৰিত ভুল নাযাবলৈ আৰু দুষ্ট চক্ৰক ধন পৰিশোধ নকৰিবলৈ পৰামৰ্শ দিছে। লগতে সংস্থাটোৱে পৰীক্ষা সম্পৰ্কীয় যিকোনো তথ্যৰ বাবে তেঁওলোকৰ অফিচিয়েল ৱেবছাইট আৰু চেনেলৰ জৰিয়তে জাৰি কৰা চৰকাৰী বিবৃতিক অনুসৰণ কৰিবলৈ আহ্বান জনাইছে।

০০০০০

নেপালৰ বিদেশ মন্ত্ৰী শিশিৰ খানালে নতুন দিল্লীত কালি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰক সাক্ষাৎ কৰে। এই সাক্ষাৎকালত ২০১৫ চনৰ ভূমিকম্পৰ পিছৰ পুনৰ গঠন কাৰ্যসূচীৰ অধীনত ৭২টা স্বাস্থ্য সুবিধা আৰু ১২টা সাংস্কৃতিক ঐতিহ্য প্ৰকল্প ড০ জয়শংকৰে নেপালক ভাৰ্চুৱেলী অৰ্পণ কৰে। তেওঁ লগতে দুয়োখন দেশৰ জনসাধাৰণ প্ৰগতি, সমৃদ্ধি আৰু মংগলৰ বাবে নেপালৰ সৈতে কাম কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ বুলি উল্লেখ কৰে। এই বৈঠক সন্দৰ্ভত ড০ জয়শংকৰে কয়, যে ভাৰত আৰু নেপালে দুয়োখন দেশৰ সীমান্তৰ নিৰাপত্তাৰ বাবে একেলগে কাম কৰি আহিছে আৰু দুয়োখন দেশে প্ৰয়োজনৰ সময়ত পৰস্পৰে পৰস্পৰক সহযোগিতা আগবঢ়াইছে। ভাৰত আৰু নেপালৰ মাজত বিশেষ সম্পৰ্ক আছে বুলিও ড০ জয়শংকৰে প্ৰকাশ কৰে। নেপালত চৰকাৰৰ সফলতাৰ বাবে তেওঁ বিদেশ মন্ত্ৰী শ্ৰীখানালক শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ কয়, যে বাণিজ্য, বিনিয়োগ, উন্নয়ন সহযোগিতা, শিক্ষা, দুৰ্যোগ সঁহাৰি, শক্তি আৰু সাংস্কৃতিক ক্ষেত্ৰত দুয়োখন দেশৰ দ্বিপাক্ষিক সম্পৰ্ক ক্ৰমাগতভাৱে গঢ় লৈ উঠিছে। সামাজিক মাধ্যমত এটা পষ্টযোগে ড০ জয়শংকৰে কয়, যে দুয়োখন দেশৰ উন্নয়ন সহযোগিতা, যোগাযোগ, শক্তি, জলবিদ্যুৎ উন্নয়ন, শিক্ষা, স্বাস্থ্য, সামৰ্থ বিকাশ, ডিজিটেল, সংস্কৃতি আৰু ক্ৰীড়া আদি বিষয়ত বৈঠকত আলোচনা কৰা হৈছে। তিনিদিনীয়া ভ্ৰমণসূচীৰে ভাৰতত উপস্থিত হোৱা নেপালৰ বিদেশ মন্ত্ৰী শ্ৰীখানালে কয়, যে ভাৰত নেপালৰ গুৰুত্বপূৰ্ণ অংশীদাৰ আৰু নেপালে ভাৰতক সৰ্বোচ্চ অগ্ৰাধিকাৰ দিছে। তেওঁ কয়, যে নেপাল আৰু ভাৰত কেৱল দুখন দেশ নহয়, বৰং দুয়োখন দেশ প্ৰাচীন সভ্যতাৰ অংশীদাৰ। পশ্চিম এছিয়াৰ সংকটৰ সময়ত নেপালক ইন্ধন আৰু সাৰ যোগান ধৰাৰ বাবে শ্ৰীখানালে ভাৰতক ধন্যবাদ জ্ঞাপন কৰে।

০০০০০

যুৱ প্ৰজন্ম দেশৰ সৰ্ববৃহৎ শক্তি আৰু এই শক্তিয়ে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। নতুন দিল্লীত কালি **বিকশিত ভাৰতৰ বাবে যুৱ প্ৰজন্ম - মোৰ ভাৰত যুৱ সন্মিলনত** ভাষণ দি কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়াই এইদৰে প্ৰকাশ কৰে। শ্ৰীমন্দাভিয়াই কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যুৱক-যুৱতীসকলে যাতে ৰাষ্ট্ৰ নিৰ্মাণৰ বাবে নিজা আশা-আকাংক্ষা, ধাৰণা, উদ্ভাৱনৰ বিষয়ে নিজৰ মত প্ৰকাশ কৰিব পাৰে তাৰ বাবে **মোৰ ভাৰত** মঞ্চ বিকশাই তুলিছে। মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে দেশৰ ৬৫ শতাংশ নাগৰিকৰ বয়স ৩৫ বছৰতকৈ কম, এই বৈশিষ্টই ভাৰতক বিশ্বৰ অন্যতম যুৱ ৰাষ্ট্ৰ হিচাপে স্বীকৃতি দিছে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত চৰকাৰে ৰাষ্ট্ৰ গঠন আৰু ভাৰতক এখন উন্নত দেশ হিচাপে গঢ়ি তোলাৰ বাবে যুৱক-যুৱতীসকলৰ সম্ভাৱনীয়তা, দক্ষতা আৰু শক্তি এটা নতুন গতি দিয়াৰ বাবে অবিৰত প্ৰয়াস অব্যাহত ৰাখিছে।

০০০০০

চলিত বৰ্ষৰ প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বাল পুৰস্কাৰৰ বাবে চৰকাৰে আবেদনৰ আহ্বান কৰিছে। অহা ৩১ জুলাই আবেদন জমা দিয়াৰ শেষ দিন ধাৰ্য কৰা হৈছে। উল্লেখযোগ্য যে সাহসিকতা, সমাজসেৱা, পৰিৱেশ, ক্ৰীড়া, কলা-সংস্কৃতি আৰু বিজ্ঞান প্ৰযুক্তিৰ লগতে বিভিন্ন ক্ষেত্ৰত আগবঢ়োৱা ব্যতিক্ৰমী অৱদানৰ বাবে ৰাষ্ট্ৰপতিৰ দ্বাৰা শিশুসকলক এই সন্মানীয় বঁটা প্ৰদান কৰি অহা হৈছে। AWARDS.GOV.INত ৰাষ্ট্ৰীয় পুৰস্কাৰ প'ৰ্টেলৰ জৰিয়তে জনসাধাৰণে ইয়াৰ বাবে আবেদন কৰিব পাৰিব বুলি মহিলা আৰু শিশু কল্যাণ মন্ত্ৰ্যালয়ে প্ৰকাশ কৰিছে।

০০০০০

পশ্চিমবংগৰ দক্ষিণেশ্বৰ আৰু কালীঘাট মন্দিৰকে ধৰি বিভিন্ন ধৰ্মীয় স্থানসমূহ উন্নীতকৰণৰ বাবে বিজেপি চৰকাৰে উন্নয়নমূলক পদক্ষেপ গ্ৰহণ কৰিব বুলি মুখ্যমন্ত্ৰী শুভেন্দু অধিকাৰীয়ে প্ৰকাশ কৰিছে। তেওঁ কয়, যে গংগা সাগৰ মেলাক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ উন্নীতকৰণৰ কাম ইতিমধ্যে আৰম্ভ হৈছে। তাৰাকেশ্বৰত হ'বলগীয়া শ্ৰাৱণী মেলাৰ বাবেও বিশেষ আয়োজন কৰা হ'ব বুলি কলকাতাত এটা অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে মন্তব্য কৰে। তেওঁ লগতে কয়, যে পশ্চিমবংগ হৈছে পবিত্ৰ আধ্যাত্মিক ভূমি। কেন্দ্ৰীয় চৰকাৰৰ সৈতে সমন্বয়ৰ দ্বাৰা ৰাজ্য চৰকাৰে পশ্চিমবংগৰ উন্নয়ন সাধন কৰিব বুলিও শ্ৰীঅধিকাৰীয়ে উল্লেখ কৰে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ১৮ বছৰ অনূৰ্ধ এছিয়া কাপ হকী প্ৰতিযোগিতাত তৃতীয়বাৰৰ বাবে চূড়ান্ত বিজয়ীৰ খিতাপ অৰ্জন কৰা ভাৰতৰ পুৰুষ দলক অভিনন্দন জনাইছে। সামাজিক মাধ্যমৰ এটা প'ষ্টত ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে ভাৰতৰ পুৰুষ হকী দলে চূড়ান্ত বিজয়ৰ খিতাপ অৰ্জন কৰাৰ বিপৰীতে মহিলা হকী দলে ব্ৰঞ্জৰ পদক লাভ কৰি দেশলৈ গৌৰৱ কঢ়িয়াই আনিছে। ইয়াৰ দ্বাৰা দেশৰ যুৱ খেলুৱৈসকল অনুপ্ৰাণিত হ'ব বুলিও শ্ৰীমুৰ্মুৱে প্ৰকাশ কৰে।

০০০০০

দক্ষিণ এছিয়ান ফুটবল ফেডাৰেশ্যনৰ মহিলা চেম্পিয়নশ্বিপ ২০২৬ৰ ফাইনেলত ভাৰতে ডিফেণ্ডিং চেম্পিয়ন বাংলাদেশক ৩-১ গ'লত পৰাস্ত কৰি ষষ্ঠবাৰৰ বাবে খিতাপ

দখল কৰে। খেলখন কালি গোৱাৰ মদগাঁৱত অনুষ্ঠিত হয়। সাত বছৰৰ পাছত পুনৰ এবাৰ ভাৰতীয় দলটোৱে খিতাপ অৰ্জন কৰি অভিলেখ গঢ়িবলৈ সক্ষম হৈছে। ফাইনেলৰ আৰম্ভণিৰে পৰা দুয়োটা দলে শক্তিশালী প্ৰদৰ্শন কৰিছিল। প্ৰথমাৰ্ধত ভাৰতে প্যাৰি ছাক্সাৰ গ'লৰ জৰিয়তে অগ্ৰগতি লাভ কৰিছিল। অৱশ্যে বাংলাদেশেও ৰিতু পৰ্না চাকমাৰ গ’লৰ সৈতে সমতা স্থাপন কৰে। দ্বিতীয়াৰ্ধত ভাৰতৰ হৈ ছানফিডাই এটা গল দিয়াৰ লগতে লিনদা ক'মে তৃতীয়টো গল দি বিজয় নিশ্চিত কৰে। ৩-১গলত ভাৰতে খেলখনত বিজয় সাব্যস্ত কৰে।

ooooo

ভাৰতে টেষ্ট ক্ৰিকেটত আজি আফগানিস্তানৰ বিৰুদ্ধে নিউ চণ্ডীগড়ত চলি থকা খেলখনৰ প্ৰথম ইনিংছত ৩ উইকেটৰ বিনিময়ত কৰা ৩৬৮ ৰানৰ পৰা পুনৰ খেল আৰম্ভ কৰিব। শতক অৰ্জন কৰা কে এল ৰাহুল আৰু ১০৩ ৰানত অপৰাজিত হৈ থকা অধিনায়ক শুভমন গিলৰ প্ৰদৰ্শনে দলটোক শক্তিশালী স্থানত ৰাখিছে। ইয়াৰ পূৰ্বে দলটোৰ হৈ ছাই সুদৰ্শনে ৮১ ৰান সংগ্ৰহ কৰে। আফগানিস্তানৰ হৈ মহম্মদ ছালিম ছাৰফীয়ে দুটা উইকেট দখল কৰাৰ বিপৰীতে জিয়াউৰ ৰহমানে এটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে ভাৰতে টছত জয়লাভ কৰি প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লৈছিল।

ooooo

সমাপ্ত